# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। সীমান্তৱৰ্তী এলেকাৰ জনগাথনিৰ পৰিৱৰ্তনে দেশ আৰু সীমান্তৰ সুৰক্ষাত পোনপটীয়া প্ৰভাৱ পেলায় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিয়লি বিশাখাপট্টনমৰ ইষ্টাৰ্ণ ন'ভেল কমাণ্ডত ভাৰতীয় নৌ সেনাৰ বাবে আই এন এছ উদয়গিৰি আৰু আই এন এছ হিমগিৰি নামৰ দুখন উন্নত যুদ্ধ জাহাজ মুকলি কৰে।

৩। দেশত বিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰী প্ৰায় ৫৬ শতাংশই চৰকাৰী বিদ্যালয়ৰ বুলি সৰ্বাত্মক গোটভিত্তিক জৰীপ ঃ শিক্ষা ২০২৫ ত প্ৰকাশ পাইছে।

৪। চৰকাৰে সামগ্ৰিক খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে অবৈধ মজুতকৰণ বন্ধ কৰাৰ বাবে ঘেহুৰ মজুতকৰণৰ সীমা নিৰ্ধাৰণ কৰিছে। ***আৰু***

৫। ছিফ্‌ট কৌৰ ছামৰাই কাজাখস্তানত অনুষ্ঠিত যোড়শ এছিয়ান শ্বুটিং ছেম্পিয়নশ্বিপৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰি পজিছন শিতানত সোণৰ পদক অৰ্জন কৰিছে।

০০০০

সীমান্তৱৰ্তী এলেকাৰ জনগাথনিৰ পৰিৱৰ্তন দেশ আৰু সীমান্তৰ সুৰক্ষাত পোনপটীয়া প্ৰভাৱ পেলায় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে মন্তব্য কৰিছে। নতুন দিল্লীত আজি ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী সম্পৰ্কীয় দুদিনীয়া কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সীমান্তৱৰ্তী গাঁৱৰ পৰা জনসাধাৰণৰ প্ৰব্ৰজন ৰোধ কৰাৰ উদ্দেশ্যে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী আৰম্ভ কৰিছিল। মন্ত্ৰীগৰাকীয়ে কয় যে এই কাৰ্যসূচীয়ে আন্তঃগাথনিৰ সম্প্ৰসাৰণ তথা সীমান্তৱৰ্তী গাওঁত সংস্কৃতি আৰু পৰ্যটনৰ সংৰক্ষণ আৰু প্ৰসাৰৰ জৰিয়তে কৰ্মসংস্থাপনৰ ন-ন সুযোগ সৃষ্টি কৰাত সহায় কৰিছে। অৰুণাচল প্ৰদেশত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছৰে পৰা ৰাজ্যখনৰ কেইবাখনো সীমামুৰীয়া গাওঁৰ জনসংখ্যা বৃদ্ধি পাইছে বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাইব্ৰেণ্ট ভিলেজ  কাৰ্যসূচীৰ তিনিটা মূল বিন্দুৰ ওপৰত আধাৰিত। ইয়াৰ ভিতৰত সীমান্তৱৰ্তী গাওঁৰ পৰা প্ৰব্ৰজন ৰোধ কৰা, সীমান্তৱৰ্তী গাওঁৰ প্ৰতিগৰাকী জনসাধাৰণে কেন্দ্ৰীয় আৰু ৰাজ্যিক আঁচনিৰসমূহৰ এশ শতাংশ উপকাৰ লাভ কৰাটো নিশ্চিত কৰা আৰু এই গাওঁসমূহক সীমান্ত তথা ৰাষ্ট্ৰীয় সুৰক্ষাৰ শক্তিশালী আহিলা হিচাপে বিকশাই তোলা অন্যতম। শ্ৰীশ্বাহে কয়, যে এই কাৰ্যসূচীৰ অধীনত ইতিপূৰ্বে চিনাক্ত কৰা গাওঁসমূহ কেইবছৰমানৰ ভিতৰত দেশ আৰু সীমান্তৰ সুৰক্ষাত গুৰুত্বপূৰ্ণ আহিলাৰূপে পৰিগণিত হ'ব।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিয়লি বিশাখাপট্টনমৰ ইষ্টাৰ্ণ ন'ভেল কমাণ্ডত ভাৰতীয় নৌ সেনাৰ বাবে আই এন এছ উদয়গিৰি আৰু আই এন এছ হিমগিৰি নামৰ দুখন উন্নত যুদ্ধ জাহাজ মুকলি কৰে। এই উপলক্ষে ভাষণ দি তেওঁ কয় যে এয়া হৈছে কেন্দ্ৰীয় চৰকাৰৰ **মেক ইন ইণ্ডিয়া আৰু আত্মনিৰ্ভৰ ভাৰত** অভিযানৰ সফলতা। দেশৰ নৌসেনাৰ আধুনিকীকৰণৰ উদ্দেশ্যে একে সময়তে দুখনকৈ আগশাৰীৰ যুদ্ধজাহাজ প্ৰথমবাৰৰ বাবে মুকলি কৰা হৈছে।

০০০০

দেশত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰী বিদ্যালয়সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দেশত বিদ্যালয়ত নামভৰ্তি কৰা মুঠ ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ৫৬ শতাংশই চৰকাৰী বিদ্যালয়ৰ। গ্ৰাম্যাঞ্চলৰ এনে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ ৬৬ আৰু নগৰাঞ্চলত প্ৰায় ৩০ শতাংশ। সৰ্বাত্মক গোটভিত্তিক জৰীপ ঃ শিক্ষা ২০২৫ অনুসৰি সমগ্ৰ দেশত ব্যক্তিগত, সাহায্য নোপোৱা, স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ত প্ৰায় ৩২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে। চলিত শৈক্ষিক বৰ্ষত চৰকাৰী বিদ্যালয়ত স্কুলীয়া শিক্ষাৰ নামত প্ৰতিগৰাকী ছাত্ৰৰ বাবদ কৰা গড়ে আনুমানিক ২ হেজাৰ ৮৬৩ টকা ব্যয় কৰা হৈছে। বেচৰকাৰী বিদ্যালয়ত এই ধনৰ পৰিমাণ ২৫ হাজাৰ টকাতকৈ অধিক। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ব্যাপক গোটভিত্তিক জৰীপ শিক্ষাৰ প্ৰাথমিক উদ্দেশ্য হৈছে চলিত শিক্ষাবৰ্ষত স্কুলীয়া শিক্ষা আৰু ব্যক্তিগত প্ৰশিক্ষণৰ গড় ব্যয় সম্পৰ্কে ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুমান কৰা।

০০০০

কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু সীমা শুল্ক পৰিষদে জনসাধাৰণক সামগ্ৰী আৰ সেৱা কৰ জি এছ টি হাৰ সম্পৰ্কে কোনো ধৰণৰ জল্পনা কল্পনা নকৰিবলৈ আহ্বান জনাইছে। পৰিষদে সামাজিক মাধ্যমযোগে কৈছে যে এই সন্দৰ্ভত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতিনিধিক লৈ গঠিত সামগ্ৰী আৰু সেৱা কৰ পৰিষদে সমুহীয়াভাৱে সিদ্ধান্ত গ্ৰহণ কৰে। আগতীয়া অনুমানৰ ফলত উৰা বাতৰি বিয়পিব পাৰে আৰু ইয়াৰ ফলত বজাৰত অস্থিৰতা দেখা দিব পাৰে বুলি পৰিষদে প্ৰকাশ কৰিছে। পৰিষদে ৩ আৰু ৪ ছেপ্তেম্বৰত হ'বলগীয়া জি এছ টি পৰিষদৰ বৈঠকৰ পাছত কৰিবলগীয়া আনুষ্ঠানিক ঘোষণালৈ বাট চাবলৈ জনসাধাৰণক পৰামৰ্শ দিছে।

০০০০

চৰকাৰে সামগ্ৰিক খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে অবৈধ মজুতকৰণ বন্ধ কৰাৰ বাবে ঘেহুৰ মজুতকৰণৰ সীমা নিৰ্ধাৰণ কৰিছে। এই সীমা সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ব্যৱসায়ী, পাইকাৰী বিক্ৰেতা আৰু খুচুৰা বিক্ৰেতাৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে ব্যৱসায় আৰু পাইকাৰী বিক্ৰেতাসকলৰ বাবে মজুতকৰণৰ সৰ্বোচ্চ সীমা ৩ হাজাৰ মেট্ৰিকটনৰ পৰা ২ হেজাৰ মেট্ৰিকটনলৈ হ্ৰাস কৰা হৈছে। একেদৰে খুচুৰা বিক্ৰেতাৰ বাবে মজুতকৰণৰ সৰ্বোচ্চ সীমা ৮ মেট্ৰিকটন ধাৰ্য কৰা হৈছে। মন্ত্ৰালয়ে ঘেহু মজুত কৰা সকলো প্ৰতিষ্ঠানকে ঘেহু মজুতকৰণ পোৰ্টেলত প্ৰতি শুকুৰবাৰে মজুত থকা ঘেহুৰ স্থিতি ঘোষণা কৰিবলৈ নিৰ্দেশ দিছে। আসন্ন উৎসৱৰ বতৰৰ পূৰ্বে ঘেহুৰ মূল্য নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে চৰকাৰে অহা বছৰ ৩১ মাৰ্চলৈকে ঘেহু মজুতকৰণৰ সীমা সংশোধন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০

যোগাযোগ ৰাজ্যমন্ত্ৰী ড° চন্দ্ৰশেখৰ পেম্মাচানিয়ে আজি নতুন দিল্লীত ডাক বিভাগ আৰু ভাৰতীয় ডাক ধনাদায় বেংকৰ কাম-কাজৰ পৰ্যালোচনা চলায়। বৈঠকত ডিজিটেল উদ্যম, গ্ৰাহকৰ সুবিধা আৰু সমগ্ৰ দেশত ডাক সেৱা অধিক সুলভ কৰি তোলাৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত শ্ৰীপেম্মাচানিয়ে ভাৰতীয় ডাক আৰু ভাৰতীয় ডাক ধনাদায় বেংক সমূহৰ মাজত ঘণিষ্ঠ সহযোগিতাৰ আৱশ্যকতাৰ কথা উল্লেখ কৰে যাতে জনসাধাৰণে বিশেষকৈ দুৰ্গম অঞ্চলৰ লোকে পদুলি মুখতে বহনসাধ্য আৰু নিৰ্ভৰযোগ্য সেৱা লাভ কৰিব পাৰে।

০০০০

অষ্ট্ৰেলিয়া চৰকাৰে হাউথি বিৰোধী অপৰাধত জড়িত থকাৰ অভিযোগত অষ্ট্ৰেলিয়াত থকা ইৰাণৰ ৰাষ্ট্ৰদূত আহমদ চাদেহি আৰু আন ৩ গৰাকী দূতাবাসৰ কৰ্মচাৰীক বহিস্কাৰ কৰিছে। প্ৰধানমন্ত্ৰী এন্থনী আলবেনিজে কয় যে দেশখনৰ সকলো হউথি বিৰোধী অপৰাধ ইৰাণৰ সৈতে জড়িত হ'ব নোৱাৰে কিন্তু অষ্ট্ৰেলিয়াৰ নিৰাপত্তা চোৰাংচোৱা সংস্থাই ইৰাণে আক্ৰমণৰ সময়ত সমন্বয় স্থাপন কৰা বুলি প্ৰমাণ পাইছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ঘোষণা কৰে যে তেহৰাণত থকা অষ্ট্ৰেলিয়াৰ দুতাবাস বন্ধ কৰিব। অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰী পেনিৱঙৰ মতে এই অভিযান বন্ধ কৰাৰ কথা ঘোষণা কৰাৰ পূৰ্বে ইৰাণৰ পৰা অষ্ট্ৰেলিয়াৰ দূতাবাসৰ সকলো কৰ্মচাৰীক তৃতীয় দেশসমূহৰ নিৰাপদ স্থানলৈ বদলি কৰা হৈছে। তেওঁ লগতে দেশখনৰ জনসাধাৰণক ইৰাণ ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণেশ চতুৰ্থীৰ প্ৰাকসন্ধিয়া দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে যে উৎসাহ-উদ্দীপনাৰে এই উৎসৱ পালন কৰা হয়। ভগৱান গণেশক জ্ঞান আৰু কল্যাণৰ উৎস হিচাপে পূজা কৰা হয় বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে জনসাধাৰণে নতুন আৰম্ভণি আৰু বিঘিনী দূৰ কৰাৰ বাবে তেওঁৰ আশীষ বিচাৰে। এই উৎসৱে জনসাধাৰণক নতুন লক্ষ্য আৰু ইতিবাচক ভাৱধাৰাৰে আগুৱাই যাবলৈ উৎসাহিত কৰে বুলিও তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশৰ পৰিবেশৰ সংৰক্ষণ কৰি এই উৎসৱ উদ্‌যাপন কৰিবলৈ সমৃদ্ধিশালী, সেউজ আৰু পৰিষ্কাৰ পৰিচ্ছন্ন ৰাষ্ট্ৰ নিৰ্মাণত বৰঙণি আগবঢ়াবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

জম্মুত হোৱা ধাৰষাৰ বৰষুণৰ ফলত ৩ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ ৰো অধিক ঘৰ আৰু দলং ক্ষতিসাধন হৈছে। ইতিমধ্যে প্ৰায় সকলো নদীৰে জলপৃষ্ঠ বিপদসীমা পাৰ হৈছে। কেইবাটাও পথ আৰু দ' ঠাই পানীত বুৰ গৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই পৰিস্থিতিৰ বুজ লোৱাৰ লগতে শ্ৰীনগৰৰ পৰা জম্মুলৈ শীঘ্ৰে গৈ পৰিস্থিতি নিৰীক্ষণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে জৰুৰীকালীন আৰু পুনৰুদ্ধাৰৰ কামত নিয়োজিত বিভাগক সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। নেৰানেপেৰা বৰষুণৰ ফলত জম্মুত যাৱতীয় ব্যৱস্থাসমূহ পৰ্যালোচনা কৰিবলৈ শ্ৰীনগৰত মুখ্যমন্ত্ৰীগৰাকী বৈঠকত মিলিত হৈছে। তেওঁ বিভাগীয় কৰ্তৃপক্ষক সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। জম্মু, শ্ৰীনগৰ আৰু কিষ্টৱাৰ, দোদা ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হৈছে। কেইবাটাও পাহাৰীয়া পথ ভূমিস্খলন আৰু বানত ক্ষতিগ্ৰস্ত হৈছে। ইতিমধ্যে কেইবাটাও অঞ্চলৰ জনসাধাৰণক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে।

০০০০

ছিফ্‌ট কৌৰ ছামৰাই কাজাখস্তানত অনুষ্ঠিত ষোড়শ এছিয়ান শ্বুটিং ছেম্পিয়নশ্বিপৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰি পজিছন শিতানত সোণৰ পদক অৰ্জন কৰিছে। ছিফ্‌টে ৪৫৯ দশমিক ২ পইণ্টেৰে প্ৰতিযোগিতাৰ শীৰ্ষ স্থান দখল কৰে। চীনৰ ইউ জি য়াঙে ৪৫৮ দশমিক ৮ পইণ্ট আৰু জাপানাৰ মিচাকি নোবাতাই ৪৪৮ দশমিক ২ পইণ্টেৰে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা আন এগৰাকী ভাৰতীয় খেলুৱৈ অশি চোক্সিয়ে ৪০২ দশমিক ৮ পইণ্টেৰে সপ্তম স্থান লাভ কৰে।

০০০০

সমাপ্ত